কানো চমু বাট নাই।
া অৰ্জন কৰিবলৈ
কল্প। সফলতাৰ বাবে
ৱ হ'বই লাগিব।
স্ত্ৰী সৰ্বানন্দ সোণোৱাল


নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

❑ যোৰহাট সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১২




কিতাপৰ পৃথিৱীত এজাক অনুৰাগী, খানাপাৰাৰ অসম গ্ৰন্থমে


ফোন নংঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ৫৩ শনিবাৰ ১৮ পুহ ১৯৪৭ শক ৩ জানুৱাৰী ২০২৬ চন ASOMIYA KHABAR JORHAT SATURDAY 3 JANUARY 2026 দামঃ ৭.০০ টকা


## পদ্মশ্ৰী হেমপ্ৰভা চুতীয়াৰ হাতে বোৱা বস্ত্ৰ-পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীৰ মুখাশিল্প প্ৰদৰ্শন

# ডিব্ৰুগড়ত প্ৰকৃতি পৰ্যটন-সাংস্কৃতিক উৎসৱৰ শুভাৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২ জানুৱাৰী ঃ** প্ৰকৃতিক ভালপোৱা, প্ৰকৃতিৰ স'তে সম্পৰ্ক গঢ়ি তোলা, প্ৰকৃতিৰ স'তে গঢ়ি উঠা একাত্মবোধে মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে, জীয়াই থকাৰ প্ৰকৃত অৰ্থ শিকায়। প্ৰকৃতিৰ প্ৰতি থকা দায়িত্ববোধে সমাজ সুন্দৰ কৰে আৰু পৃথিৱীখন মানুহৰ উপযোগী কৰি ৰাখে। ভাৰত চৰকাৰৰ মিনিষ্ট্ৰি অৱট্ৰাইবেল এফেয়াৰ্ছৰ স্বেচ্ছাসেৱী সংগঠন 'খোজ অসম'ৰ সৈতে ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা 'ইক্' টুৰিজিম' আৰু সাংস্কৃতিক উৎসৱৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডিএইছএচ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। সম্পাদক বিশ্ববিজয় ফুকনে উদ্দেশ্য ব্যাখ্যা কৰা উদ্বোধনী অনুষ্ঠানত তেওঁ কয়ঃ ইক' পৰ্যটন অথবা পৰিৱেশ অনুকুল পৰ্যটন কেৱল ভ্ৰমণেই নহয়, ই হ'ল প্ৰকৃতিৰ প্ৰতি থকা মানুহৰ দায়িত্ববোধৰ পৰিচয়। যেতিয়া ইক' পৰ্যটনৰ স'তে সাংস্কৃতিক উৎসৱসমূহ সংযুক্ত হৈ যায় তেতিয়া তেনে অনুষ্ঠান সোণত সুৱগা চৰে বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়ঃ প্ৰকৃতি আৰু সংস্কৃতি এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। যদি ইক্' টুৰিজিম গছৰ ডাল হয়, তেন্তে সাংস্কৃতিক উৎসৱসমূহ হ'ল ডালত ফুলি থকা সুগন্ধি ফুল। ফুল অবিহনে ডালতো যেনেকৈ অশুৱনি অথবা আধৰুৱা, ঠিক তেনেকৈ সংস্কৃতি অবিহনেও প্ৰকৃতি পৰ্যটনো নিৰস বুলি তেওঁ কয়। প্ৰকৃতিক জীয়াই ৰখা, প্ৰকৃতিক ভাল পোৱা, প্ৰকৃতিক সেউজীয়া কৰি ৰখা আৰু মানুহৰ বাবে প্ৰকৃতি জীপাল কৰি ৰখাৰ উদ্দেশ্যে বিশ্বত অনেক দেশে প্ৰকৃতি পৰ্যটনক অধিক গুৰুত্ব দিয়ে বুলি উল্লেখ কৰি তেওঁ কষ্টাৰিকা, কেনিয়া, আইছলেণ্ড, ভূটান আদি দেশে কেনেকৈ প্ৰকৃতি পৰ্যটনৰ যোগে মুঠ ঘৰুৱা উৎপাদনৰ বুজন পৰিমাণৰ ধন উপাৰ্জন কৰে তাৰ সবিশেষ ব্যাখ্যা আগবঢ়ায়। অধ্যক্ষগৰাকীয়ে উপস্থিত সকলোকে উদ্দেশ্যি পৰ্যটন উদ্যোগৰ প্ৰতি মনোনিৱেশ কৰিবলৈ আহ্বান জনাই কয় ঃ পৃথিৱীৰ সমূহ নিযুক্তিৰ ভিতৰত পৰ্যটন উদ্যোগেই দিছে। প্ৰতি ২.৫ ছেকেণ্ডৰ মূৰে মূৰে একো-একোজন ব্যক্তিক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সংস্থাপন দিয়ে বুলি উল্লেখ কৰি তেওঁ কয়ঃ বিগত বৰ্ষত পৰ্যটন খণ্ডই ৩৫৭ নিযুত সংস্থাপন দিয়া বুলি উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে ভাৰতৰ পৰ্যটন উদ্যোগক চাৰি কোটিৰো অধিক লোক প্ৰত্যক্ষ-পৰোক্ষভাৱে নিযুক্তি হৈ আছে বুলি উল্লেখ কৰে। ইয়াৰ পূৰ্বে উৎসৱৰ প্ৰদৰ্শনী দ্বাৰ মুকলি কৰে ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই। সাগৰিকা বৰুৱাই আঁতধৰা অনুষ্ঠানত সাহিত্যিক, ডিব্ৰুগড় সাহিত্য সভাৰ সভানেত্ৰী জ্যোতি বৰগোহাঁই, ড° কৰবী ডেকা হাজৰিকা, চন্দন কুমাৰ দাস, শিক্ষা শিৰোমণি জ্যোতি প্ৰসাদ কানৈ, হেমপ্ৰভা চুতীয়া, অধ্যক্ষ জয়দেৱ গগৈ, মিনিষ্ট্ৰি অৱ ট্ৰাইবেল এফেয়াৰ্ছৰ বিষয়ববীয়াসকলকে প্ৰমুখ্যে কৰি বহুকেইজন গণ্য-মান্য ব্যক্তিৰ লগতে দুই শতাধিক ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে মহোৎসৱত পদ্মশ্ৰী হেমপ্ৰভা চুতীয়াৰ পৃথিৱী বিখ্যাত হাতে বোৱা বস্ত্ৰৰ প্ৰদৰ্শন, হাতী চাফাৰী, মাজুলীৰ পদ্মশ্ৰী ড° হেমচন্দ্ৰ গোস্বামীৰ মুখাশিল্প আদি প্ৰদৰ্শনসহ অসমৰ সমৃদ্ধিশালী সংস্কৃতি প্ৰদৰ্শন কৰিছে।